

# অধিবাস্তৱবাদেৰে সমৃদ্ধ চলচ্চিত্ৰ

ড° সুব্ৰত জ্যোতি নেওগ

লেখক-পৰিচালক ভাস্কৰ হাজৰিকাৰ 'আমিষ' চলচ্চিত্ৰখন ভাৰতীয় চলচ্চিত্ৰৰ ঐতিহ্যময় পৰম্পৰাত এক গুৰুত্বপূৰ্ণ সংযোজন। সমগ্ৰ ভাৰতীয় চলচ্চিত্ৰত অধিবাস্তৱবাদী ধাৰাৰ চলচ্চিত্ৰ অত্যন্ত কম। এখন উচ্চস্তৰীয় অধিবাস্তৱবাদী (surrealist film) চলচ্চিত্ৰ হিচাপে ভাৰতীয় চলচ্চিত্ৰৰ পৰম্পৰাত 'আমিষে' নিঃসন্দেহে বিশিষ্ট স্থান অধিকাৰ কৰিছে। সাধাৰণতে অধিবাস্তৱবাদী চলচ্চিত্ৰত মানৱ অভিজ্ঞতাৰ যুক্তিসিদ্ধ অস্তিত্বৰ ঊৰ্দ্ধত অৱস্থিত কোনো চৈতন্যময় সত্তাৰ অভিব্যক্তি সাৰ্থক ৰূপত প্ৰকাশ পায়। 'আমিষ'ৰ কথাবস্তুলৈ যদি লক্ষ্য কৰোঁ তেন্তে দেখিম কেন্দ্ৰীয় চৰিত্ৰ সুমনে নিজৰ দেহৰ মাংস কাটি প্ৰেয়সীৰ ভোক নিবাৰণৰ চেষ্টা কৰি এক বিমল আনন্দ লাভ কৰিছে। লোকদৃষ্টিত ই অদ্ভুত আৰু যুক্তিসিদ্ধ নহয়, কিন্তু অধিবাস্তৱবাদী চলচ্চিত্ৰ নিৰ্মাণ কৰাসকল এই অদ্ভুত আৰু অতিযৌক্তিক (Non-rational) দিশটোৰ প্ৰতিহে বেছি কৌতূহলী। আচলতে অধিবাস্তৱবাদী চলচ্চিত্ৰত চলচ্চিত্ৰকাৰে কথাবস্তুৰ বিকাশত এনেবোৰ ভাব বা প্ৰতীতিৰ সৃষ্টি কৰে যিবোৰ আপাতদৃষ্টিত অৰ্থহীন, কিন্তু কথাবস্তুৰ পৰিণতিতহে তাৰ প্ৰকৃত তাৎপৰ্য উদ্‌ঘাটন হয়।

ভাস্কৰ হাজৰিকাৰ প্ৰথমখন ছবি 'কথানদী'তে অধিবাস্তৱবাদী উপাদানৰ এটি সৰু ৰেঙনি দেখিবলৈ পোৱা গৈছিল। 'কথানদী'ত জেৰিফা বাহিদে অভিনয় কৰা তেজীমলাৰ মাহীয়েকৰ চৰিত্ৰটো অধিবাস্তৱবাদী উপাদানেৰে সজাই তোলা হৈছিল। 'কথানদী'ত মাহীয়েকৰ মাজত নিহিত দুখন জগত দেখুৱাইছে। মাহীয়েকৰ বহিৰ্জগতখন প্ৰতিনিধিত্ব কৰিছে মাহীয়েকৰ বাহ্যিক কাম-কাজে আৰু অন্তৰ্জগতখন প্ৰতিনিধিত্ব কৰিছে মাহীয়েকে দুপৰ নিশা নাবেৰে গৈ অসুৰ আকৃতিৰ মানুহটোৰ লগত হোৱা কথোপকথন আৰু অংগ-ভংগীয়ে। পৰিচালক হাজৰিকাই 'কথানদী'ৰ মাহীয়েকৰ চৰিত্ৰটোৰ দৰেই 'আমিষ'তো সুমন-নিৰ্মালিৰ চেতন আৰু অৱচেতনক, অন্তৰ্জগত আৰু বহিৰ্জগতৰ মাজত থকা ভৌতিক আৰু মনোজগতৰ দুয়ো প্ৰকাৰৰ ব্যৱধান দুৰীভূত কৰি এনে এটা বাস্তৱৰ সৃষ্টি কৰিছে— য'ত বাস্তৱ আৰু অবাস্তৱ, কাৰ্য আৰু চিন্তা এক হৈ জীৱনক প্ৰভাৱিত কৰিছে। এইখিনিতে অধিবাস্তৱবাদী